# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৮ ডিচেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবা হজৰত আলি (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী সম্পৰ্কে ঈমান বৰ্দ্ধক বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰে পৰাই হজৰত আলি (ৰাঃ)ৰ বিষয়ে বৰ্ণনা চলি আহিছে। আজিও এখেত (ৰাঃ)ৰ কিছুমান গুণাৱলীৰ বৰ্ণনা কৰা হ'ব।আঁ-হজৰত (ছাঃ)ৰ শেষ বেমাৰত পৰা দিনবোৰত হজৰত আলি (ৰাঃ)য়ে সেৱা শুশ্ৰুষা আগবঢ়াইছিল। সেয়া এনেদৰে উল্লেখ আছে যে যেতিয়া নবী কৰীম (ছাঃ)নৰিয়াত পৰি আছিল; তেতিয়া এদিন তেখেত (ছাঃ)য়ে দুজন মানুহৰ কান্ধত ভৰ দি হজৰত আয়শা (ৰাঃ)ৰ ঘৰৰ পৰা মছজিদলৈ যাবলৈ ওলাইছিল। তেতিয়া আঁ-হজৰত (ছাঃ)ৰ ভৰি মাটিত চোঁচৰাই গৈছিল কাৰণ শৰীৰৰ দুৰ্বলতাৰ কাৰণে তেখেত (ছাঃ)য়ে ভৰিৰে ভালকৈ খোজ দিব পৰা নাছিল। উক্ত লোক দুজনৰ এজন আছিল হজৰত আলি (ৰাঃ)আৰু আনজন আছিল হজৰত আববাছ (ৰাঃ) আঁ-হজৰত (ছাঃ)য়ে এওঁলোকৰ সহায় লৈছিল।

হজৰত আমৰ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে নবী কৰীম (ছাঃ)ৰ তিৰুধানৰ পিছত ৰছুলুল্লাহ (ছাঃ)ক হজৰত আলি (ৰাঃ)হজৰত ফজল (ৰাঃ) হজৰত উছামা বিন জায়েদ (ৰাঃ)আৰু হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ); এওঁলোক চাৰিজনে ৰছুলুল্লাহ (ছাঃ)ৰ দেহ মোবাৰকৰ গোচল কৰোৱাইছিল আৰু এওঁলোকেই তেখেত (ছাঃ)ক কবৰত নমাইছিল।

হজৰত আলি (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰা সম্পৰ্কে বিভিন্ন বৰ্ণনা উল্লেখ আছে। কিছুমান ৰিৱায়তত আছে যে হজৰত আলি (ৰাঃ)য়ে পূৰ্ণ ইচ্ছা আৰু সন্মতি সাপেক্ষে অতি সোনকালে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰি লৈছিল। কিছুমানে আকৌ ইয়াৰ বিপৰীত কথা লিখিছে। যিয়েই নহওঁক হজৰত আবু ছঈদ খুদৰি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া মুহাজেৰিণ আৰু আনছাৰসকলে হজৰত আলি (ৰাঃ)ৰ বয়াত কৰি লৈছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে মিম্বাৰত উঠিছিল আৰু লোক সকলৰ ফালে দৃষ্টি নিক্ষেপ কৰি হজৰত আলি (ৰাঃ)ক তাত উপস্থিত থকা দেখা পোৱা নাছিল। সেয়ে তাৰ পৰা আনছাৰৰ কেইজনমান লোকে গৈ হজৰত আলি (ৰাঃ)ক সেই বৈঠকলৈ লৈ আনিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ক কৈছিল যে হে ৰছুলুল্লাহ (ছাঃ)ৰ খুৰায়েকৰ পুত্ৰ আৰু তেখেত (ছাঃ)ৰ জোৱাই; কিয় তুমি মুছলমান সকলৰ ঐক্য শক্তি ভাঙি দিব বিচৰা নেকি ? তেতিয়া হজৰত আলি (ৰাঃ)য়ে নিবেদন কৰিছিল হে ৰছুলুল্লাহ (ছাঃ)ৰ খলিফা মোক দোষী সাব্যস্ত

নকৰিবা; এই বুলি লগে লগে এখেত (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিছিল। হজৰত আকদছ মছীহ মাওউদ (ৰাঃ)য়ে কৈছে হজৰত আলি কৰমুল্লাহ আজহিয়া (ৰাঃ)য়ে প্ৰথমে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰাৰ পৰা আঁতৰত আছিল কিন্তু ঘৰত গৈ খোদা তা'লা জানে মনত কি ধাৰণা হয়; লগে লগে মূৰত পাগুৰি নবন্ধাকৈয়ে কেৱল টুপি পিন্ধিয়ে বয়াত কৰিবলৈ আহি গৈছিল আৰু পিছত নিজৰ পাগুৰি লৈ অনাইছিল। অনুমান হয় যে তেখেতৰ মনত এয়া ধাৰণা হৈছিল যে এয়া বৰ ডাঙৰ সমস্যা এটা হৈ গ'ল; সেয়ে ইমান ততাতৈয়া কৰিছিল যে নিজৰ মূৰত পাগুৰি বান্ধিবলৈ সময় পোৱা নাছিল। অৰ্থাৎ সম্পূৰ্ণ কাপোৰ পিন্ধিবলৈ সময় নহৈছিল আৰু অতি সোনকালে আহি উপস্থিত হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যিসকল লোকে এয়া এটা দোষ জাপি দিয়ে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ঠাইত হজৰত আলি (ৰাঃ)য়ে খলিফা হোৱা উচিত আছিল। সেই সময়ত হজৰত আবু বক্কৰ (ৰাঃ)ক এই বিষয়ে কোনো কথা জনোৱা নাছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে- যদি আমি মানি লওঁ যে ছিদ্দিক আকবৰ (ৰাঃ) সেই সকলৰ মাজতে এজন আছিল যিসকলে জাগতিক আৰাম বিলাসিতা আদিক প্ৰাধান্য দিছে এয়া মানি ল'বলৈ বাধ্য হ'ব লাগিব যে শ্বেৰে খোদা হজৰত আলি (ৰাঃ)ও এজন মুনাফিক (কপটতা) আছিল (নাউজুবিল্লাহ) যেনকুৱা আমি তেওঁৰ সম্বন্ধে ধাৰণা ৰাখো যে ছিদ্দিক আকবৰ (ৰাঃ) দুনিয়া ত্যাগ কৰি আল্লাহৰ প্ৰতি ধ্যান নাছিল বৰং তেখেত জগত আৰু হৃদয় প্ৰবঞ্চনাৰ মাজত লেপেট খাই গৈছিল আৰু ইয়াৰ আৰাম বিলাসিতাৰ মোহত আবদ্ধ আৰু যাৰ কাৰণে তেখেতে কাফিৰ ধৰ্মত্যাগী সকলৰ লগ এৰা নাই বৰং কপট লোকৰ দৰে এওঁলোকৰ লগত ৰৈ আছে আৰু প্ৰায় ত্ৰিছ বছৰ কাল খোদাৰ প্ৰতি ভয় পৰহেজগাৰী দেখুৱাই আছে। পিছত যেতিয়া ছিদ্দিক আকবৰ (ৰাঃ)হজৰত আলি (ৰাঃ)ৰ দৃষ্টিত স্বাৰ্থপৰ বুলি ধৰা পৰিল, তেন্তে হজৰত আলি (ৰাঃ)য়ে কিয় হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিবলৈ সন্মত হ'ল আৰু এখেত (ৰাঃ)য়ে কিয় এই অন্যায় অত্যাচাৰ আৰু বিবাদৰ ভূমি এৰি বেলেগ এখন দেশলৈ প্ৰব্ৰজন নকৰিলে ? কিয়! আল্লাহৰ জমিন ইমানখিনি বিস্তৃত নাছিলনে যে তেখেত (ৰাঃ)য়ে তালৈ প্ৰব্ৰজন কৰি যাব ? নহয়! এয়া হ'ল তাকৱাদাৰ (খোদাভীতি) সকলৰ চুন্নত; আনুগত্যশীল, বিশ্বাসী ইব্ৰাহিম (আঃ)ক চোৱা তেখেতে সত্যৰ বাবে শ্বাহাদত বৰণত কিমান দুৰ্জয় সাহসী আছিল। তেখেতে (আঃ)ক অগ্নি কুণ্ডত নিক্ষেপ কৰা হৈছিল কিন্তু চয়তান বিলাকৰ ভয়ত তেখেতে তাকৱা ধাৰণ কৰি থকা নাছিল; তেখেত খোদাৰ ভয়তহে তাকৱাদাৰ আছিল। এয়াই হ'ল সজ,নেকিকাৰসকলৰ জীৱন চৰিত, তেওঁলোকে তৰোৱাল আৰু অস্ত্ৰক ভয় নকৰে আৰু খোদা তা'লাৰ ভয়ক; ডাঙৰ পাপ,নিৰ্লজতাক ভয় কৰাৰ দৰে ভয় কৰে। মই আচৰিত হৈছো যে হজৰত আলি (ৰাঃ)য়ে এয়া জানিও ছিদ্দিক আৰু ফাৰুক দুয়ো কাফিৰ আৰু লোকৰ অধিকাৰ খৰ্ব কৰোঁতা; এখেতে কেনেকৈ এওঁলোকৰ বয়াত কৰিলে আৰু পূৰ্ণ একাগ্ৰতা আৰু বিশ্বাসেৰে এওঁলোক দুজনক মান্য কৰিছিল আৰু সেই আনুগত্যত তেখেতে কেতিয়াও দুৰ্বলতা দেখুৱা নাই আৰু কেতিয়াও কোনো ধৰণৰ অপমান বোধৰ প্ৰকাশ কৰা নাই।

গতিকে হজৰত মছীহ মাওউদ (আঃ)য়ে স্পষ্ট ভাৱে কৈছে যে হজৰত আলি (ৰাঃ)য়ে কেতিয়াও নিজৰ আগৰ খলিফা সকলৰ বিৰোধীতা কৰা নাছিল বৰং তেওঁলোকৰ বয়াত কৰিছিল। তোমালোকে হজৰত আলি (ৰাঃ)ৰ বিষয়ে যিবোৰ কথা কৈ আছা যে তেখেত (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰা নাছিল; এই কথাবোৰে দেখোন হজৰত আলি (ৰাঃ)ৰ মৰ্যাদা হানি কৰে; এয়া নহয় যে সন্মান বৃদ্ধি কৰে।

তৃতীয় খলিফাৰ সময় ছোৱাত হজৰত আলি (ৰাঃ)য়ে কেনেকুৱা সেৱা আগবঢ়াইছিল সেই সম্পৰ্কে হুজুৰ আনোৱাৰ (আইঃ)কয় যে যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত উছামা (ৰাঃ)ৰ সৈন্য বাহিনী প্ৰেৰণ কৰিছিল তেতিয়া এখেত (ৰাঃ)ৰ ওচৰত অতি কম সংখ্যক লোক ৰৈ আছিল। তেতিয়া বহু সংখ্যক অঘৰি লোকে মদিনাৰ

ওপৰত আক্ৰমণ চলোৱাৰ পৰিকল্পনা কৰিছিল। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে মদিনালৈ প্ৰৱেশ কৰিব পৰা বিভিন্ন পথ বিলাকত পহৰাদাৰ নিযুক্ত কৰিছিল। তেওঁলোকে নিজৰ নিজৰ বন্ধু সকলক লগত লৈ গোটেই ৰাতি মদিনাৰ চাৰিওফালে পহৰা দি থাকিছিল। সেই পহৰাদাৰ সকলৰ পৰিচালক হিচাপে হজৰত আলি (ৰাঃ)য়েও অংশ গ্ৰহণ কৰিছিল।

হজৰত উমৰ (ৰাঃ)য়ে খিলাফত কালত কিছুমান ভ্ৰমণৰ সময় ছোৱাত হজৰত আলি (ৰাঃ)ক নিজৰ সলনি মদিনাৰ আমিৰ নিযুক্ত কৰি থৈ গৈছিল। গতিকে তাৰিখে তিবৰিত লিখা আছে যে জছৰৰ ঘটনাৰ সময়ত যেতিয়া মুছলমান সকলে ইৰাণী সৈন্য বাহিনীৰ প্ৰতিদ্বন্দ্বীতা কৰিবলৈ গৈ প্ৰায় এক ধৰণৰ পৰাজয় আহি গৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে সৈন্য সকলৰ লগত ইৰাণৰ সীমা প্ৰান্তলৈ যাব। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে নিজৰ পদত হজৰত আলি (ৰাঃ)ক মদিনাৰ গভৰ্ণৰ নিযুক্ত কৰিছিল।

হজৰত উচমান (ৰাঃ)ৰ খিলাফত কালত কলহ-বিবাদৰ সৃষ্টি হৈছিল, তেতিয়া হজৰত আলি (ৰাঃ)য়ে সেই বিবাদ নিষ্পত্তি কৰিবলৈ হজৰত উচমান (ৰাঃ)ক বৰ সজ পৰামৰ্শ দিয়া কৰিছিল। যেতিয়া মিছৰীয়া সকলে হজৰত উচমান (ৰাঃ)ৰ ঘৰ ঘেৰাও কৰি লৈছিল আৰু এনেকুৱা কঠোৰতা অৱলম্বন কৰিছিল যে এওঁলোকৰ খোৱা লোৱা (পানাহাৰ) পৰ্যন্ত বন্ধ কৰি ৰাখিছিল। হজৰত আলি (ৰাঃ)য়ে যেতিয়া এই খবৰ পাইছিল তেতিয়া এখেত (ৰাঃ)য়ে পানীৰে ভৰা তিনিটা মাশ্বক (চামৰাৰে তৈয়াৰী য'ত পানী ৰখা হয়) হজৰত উচমান (ৰাঃ)ৰ ঘৰলৈ পঠাইছিল কিন্তু বিদ্ৰোহী সকলে বাধা দিয়াত সেই মাশ্বক (চামৰাৰে তৈয়াৰী য'ত পানী ৰখা হয়) হজৰত উচমান (ৰাঃ)ৰ ঘৰত গৈ পোৱা নাছিল। সেই মাশ্বক লৈ যোৱাৰ চেষ্টা কৰাত বনু হাশিম আৰু বনু উমিয়াৰ কেইবাজনও গোলাম আঘাত প্ৰাপ্ত হৈছিল তথাপি অৱশেষত গৈ মাশ্বক লৈ হজৰত উচমান (ৰাঃ)ৰ ঘৰ পাইছিল গৈ। হজৰত আলি (ৰাঃ)য়ে যেতিয়া জানিব পাৰিছিল যে হজৰত উচমান (ৰাঃ)ক হত্যা কৰাৰ পৰিকল্পনা কৰা হৈছে। তেতিয়া হজৰত আলি (ৰাঃ)য়ে নিজৰ পুত্ৰদয় ইমাম হাছান আৰু ইমাম হুছেইন (ৰাঃ)ক কৈছিল-তোমালোকে নিজৰ নিজৰ তৰোৱাল লৈ যোৱা আৰু হজৰত উচমান (ৰাঃ)ৰ ঘৰৰ দুৱাৰ মুখত থিয় হৈ যোৱা আৰু সাৱধান! কোনো ধৰণৰ বিপদ যেন তেখেত (ৰাঃ)লৈ পৌছাব নোৱাৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ শ্বাহাদতৰ পিছৰ ঘটনাসমূহ বৰ্ণনা কৰোঁতে কৈছে যে দুই এদিন মাৰপিট,লুণ্ঠনৰ ৰাজত্ব চলাৰ পিছত যেতিয়া পৰিস্থিতি ঠাণ্ডা পৰিছিল তেতিয়া বিদ্ৰোহীসকলে নিজৰ পৰিণতি কি হ'ব, সেইফালে চিন্তা কৰিছিল আৰু ভয়তে কিছুমানে ছিৰিয়া (স্বাম)ৰ ফালে গুচি গৈছিল। সিহঁতে তাতে গৈ নিজে নিজে বাঃ বাঃ কৰিবলৈ আৰম্ভ কৰিছিল যে হজৰত উচমান (ৰাঃ) শ্বহীদ হৈ গ'ল আৰু কোনেও তাৰ প্ৰতিশোধ ল'ব নোৱাৰিলে। কিছুমানে পলাই গৈ মক্কাৰ বাটত হজৰত জাবিৰ আৰু হজৰত আয়শা (ৰাঃ)ক লগ ধৰিছিল আৰু কৈছিল যে এয়া কেনেকুৱা অন্যায় অত্যাচাৰ যে ইছলামৰ খলিফাক শ্বহীদ কৰি দিয়া হয় তথাপি মুছলমান সকলে নীৰৱে থাকে । আকৌ আন কিছুমানে পলাই গৈ হজৰত আলি (ৰাঃ)ৰ ওচৰত উপস্থিত হৈ কৈছিল যে এতিয়া বৰ বিপদ সংকুল সময়; ইছলামী শাসনৰ পতন ঘটি যোৱাৰ ভয় হৈছে; আপুনি সকলোৰে বয়াত গ্ৰহণ কৰক যাতে লোকৰ ভয় দূৰীভূত হয় আৰু শান্তি প্ৰতিষ্ঠিত হয়। যি সকল চাহাবা মদিনাত উপস্থিত আছিল, তেওঁলোকে ইতিমধ্যে এয়াই পৰামৰ্শ দিছিল যে এনে সময়ত এয়াই ঠিক হ'ব যে আপুনি এই দায়িত্ব গ্ৰহণ কৰি লওঁক। আপোনাৰ এই কাম আল্লাহৰ সন্তুষ্টি আৰু নেকীৰ কাৰক হ'ব। যেতিয়া চাৰিওফালৰ পৰা হজৰত আলি (ৰাঃ)ক বাধ্য কৰোৱা হৈছিল তেতিয়া কেইবাবাৰ তেখেতে অস্বীকাৰ কৰাৰ পিছত বাধ্য হৈ অৱশেষত এই দায়িত্ব মূৰ পাতি লৈছিল আৰু লোকৰ বয়াত লৈ লৈছিল। হজৰত আলি (ৰাঃ)ৰ এই কাম যে বৰ বুদ্ধি মত্তাৰ পৰিচায়ক আছিল তাত কোনো সন্দেহ নাই। যদি এখেত (ৰাঃ)য়ে সেই সময়ত বয়াত নললেহেঁতেন তেন্তে ইছলামৰ তাতকৈ

বেছি ক্ষতি হ'লহেঁতেন; যিমান ক্ষতি হজৰত আলি (ৰাঃ)আৰু হজৰত মুৱাবিয়াৰ মাজত সংগঠিত হোৱা যুদ্ধত হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি মই আকৌ আলজেৰিয়াৰ আহমদী সকলৰ বাবে আৰু পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱাৰ আবেদন জনাব বিচাৰিছোঁ। আল্লাহ তা'লা তেওঁলোকক যেন নিৰাপদে ৰাখে। আলজেৰিয়াৰ পৰিস্থিতি দিনক দিনে বৰ কঠোৰ হৈ আছে। তাতেও এজন চৰকাৰী উকিল আছে, তেওঁ বাৰে বাৰে আমাৰ আহমদী সকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি আছে। পাকিস্তানতও এনেদৰেই আহমদী সকলক সমস্যাত পেলোৱা হৈ আছে। আল্লাহ তা'লা সেই সকলোকে যিসকলে নানা ধৰণৰ সমস্যা সৃষ্টি কৰি আছে নাইবা বিভিন্ন ধৰণৰ বিৰোধীতা সৃষ্টি কৰি আছে; উচিত শিক্ষা দিয়াৰ ব্যৱস্থা কৰক। অতি সোনকালে আহমদীসকলৰ পৰিস্থিতি অনুকল কৰি দিয়ক। যিসকলে কঠিন পৰিস্থিতিৰ মাজত দিনাতিপাত কৰি আছে তেওঁলোকৰ নিমিত্তে সহজ উপায় আৰু সুবিধা সৃষ্টি কৰক। কিন্তু লগতে মই এয়া ক'ব বিচাৰো যে পাকিস্তানৰ আহমদী সকলে যিদৰে কৰুণাতাৰে দোৱা কৰাৰ ফালে মনোযোগ দিয়া প্ৰয়োজন সেই মাত্ৰাত মনোযোগ দিয়ালৈ এতিয়াও মনোনিৱেশ কৰা নাই। গতিকে যোৱা দিনবোৰতকৈ বেছি আৰু বহুত বেছি দোৱাৰ ফালে মন দিয়ক যাতে আল্লাহ তা'লা আমাক অনতিপলমে এইবোৰ সমস্যাৰ পৰা পৰিত্ৰাণ দিয়ে আৰু আমাৰ সকলো সা-সুবিধাৰ জন্ম দিয়ে। লগতে আমি যেন প্ৰকৃত ইছলামৰ সু-সংবাদ স্বাধীন ভাৱে পাকিস্তানত লগতে পৃথিৱীৰ প্ৰত্যেক প্ৰান্তে প্ৰান্তে পৌছাই দিব পাৰো। আমিন-

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম ডাক্তৰ তাহিৰ আহমদ চাহাব (ৰাবোৱা) মকৰম হাবিবুল্লাহ মজহৰ চাহাব আৰু মকৰম বশিৰ উদ্দিন আহমদ চাহাব আৰু মকৰম আমিনা আহমদ চাহিবাৰ উত্তম গুণাৱলীৰ চমু বিৱৰণ দি নমাজে জুমাৰ পিছত এওঁলোকৰ নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। আমিন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 18 DECEMBER 2020**

## BOOK POST (PRINTED MATTER)

TO,

.....................................................................................................................................

.....................................................................................................................................

.....................................................................................................................................

.....................................................................................................................................

.....................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844